# দিছপুৰ কলেজৰ ৭৬ লাখ ঘূৰাই দিব বেংকে

'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ৭ মে' ঃ মহানগৰ আৰক্ষীৰ উপৰ্যপৰি জেৰাত অৱশেষত শিৰনত কৰিবলৈ বাধ্য হ'ল বেংক অৱ বৰোদাৰ কৰ্তৃপক্ষই। দিছপুৰ কলেজৰ একাউণ্টৰ পৰা ধন লুট কৰা ঘটনাত নিজৰ দোষ স্বীকাৰ কৰি বেংক অৱ বৰোদাই ধন ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দিছপুৰ আৰক্ষীৰ তদন্তত বেংক অৱ বৰোদাৰ কুকৰ্ম ফাদিল হৈছে। আৰক্ষীৰ প্ৰাথমিক তদন্তত বেংকৰ বিষয়া-কৰ্মচাৰী জড়িত থকাৰ তথ্য লাভ কৰিছে। ইতিমধ্যে বেংক অৱ বৰোদাই সমুদায় ধন দিছপুৰ কলেজ কৰ্তৃপক্ষক ঘূৰাই দিয়াৰ প্ৰস্তাৱ দিছে। উল্লেখ্য যে মহানগৰীৰ গণেশগুৰিস্থিত

৯ পৃষ্ঠাত

ইডাৰিয়াত চৰকাৰে ২০ টকাকৈ ৰাজসাহায্য দিব। ইয়াৰ বাবে ১৮.৫০ কোটি টকা খৰচ হ'ব।

# দিছপুৰ কলেজৰ ৭৬ লাখ ঘূৰাই দিব বেংকে

বেংক অৱ বৰোদাৰ দিছপুৰ শাখাত থকা দিছপুৰ কলেজৰ একাউণ্টৰ পৰা ৭৬,৩৪,৯০০ টকা চাৰিদিন পূৰ্বে হৰলুকি হৈছিল। ঘটনা সন্দৰ্ভত দিছপুৰ কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই দিছপুৰ থানাত এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে বিগত দুটা দিন ধৰি ধাৰাবাহিকভাৱে তদন্ত চলাই আছিল। এই তদন্তৰ কালছোৱাত বেংক অৱ বৰোদাৰ কৰ্তৃপক্ষই দিছপুৰ কলেজৰ কৰ্তৃপক্ষৰ ভুলৰ বাবেই একাউণ্টৰ পৰা ধন হৰলুকি হোৱা বুলি উল্লেখ কৰে। অৱশ্যে দিছপুৰ কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই বেংক অৱ বৰোদাৰ কৰ্তৃপক্ষৰ ভুলৰ বাবেই কলেজৰ একাউণ্টৰ পৰা ধন হৰলুকি হোৱা বুলি অভিযোগ কৰে। ইফালে, আৰক্ষীৰ তদন্তত ধৰা পৰিছিল ধন ওলাই নিয়াত ব্যৱহাৰ কৰা চেকখন আছিল ক্লন চেক অথবা ভুৱা চেক। ভুৱা চেকেৰে ধন কেনেকৈ কলকতাৰ ইউনিয়ন বেংকলৈ প্ৰেৰণ কৰা হ'ল বুলি কৰা আৰক্ষীৰ প্ৰশ্নৰ উত্তৰ দিব পৰা নাছিল বেংক অৱ বৰোদাৰ কৰ্তৃপক্ষই। তদুপৰি নতুন একাউণ্টৰ পৰা কেনেকৈ ধন ওলাই গ'ল বুলি আৰক্ষীৰ প্ৰশ্নৰ কোনো উত্তৰ নাছিল বেংক কৰ্তৃপক্ষৰ হাতত। আনহাতে কলেজৰ একাউণ্টৰ মেইলৰ আই ডি আৰু ফোন নম্বৰ সলনি কৰা হৈছিল বুলি আৰক্ষীৰ তদন্তত ধৰা পৰিছে। বেংকৰ কৰ্মচাৰীয়ে একাউণ্টৰ মেইলৰ আই ডি আৰু ফোন নম্বৰ সলনি কৰিব পাৰে বুলি আৰক্ষীয়ে দাবী কৰিছে। এই ঘটনাই কলেজৰ একাউণ্টৰ পৰা ধন লুট কৰা ঘটনাত বেংকৰ বিষয়া কৰ্মচাৰী জড়িত থাকিব পাৰে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে আৰক্ষীয়ে বেংক অৱ বৰোদাৰ দিছপুৰ শাখাৰ প্ৰবন্ধক ৰাজেশ কুমাৰ সিনহা আৰু দুই মহিলা বিষয়াক আটক কৰি সোধা পোছাৰ অন্তত মাজ নিশা মুকলি কৰি দিছিল। আৰক্ষীৰ জেৰাত তিনি বেংক বিষয়াৰ ভাষ্যও পৃথক পৃথক আছিল। দুজন যুৱকে বেংকত চেক জমা দিয়াৰ দৃশ্য চি চি টিভিত ৰেকৰ্ডিং হোৱাৰ দৃশ্য আৰক্ষীয়ে সংগ্ৰহ কৰিছে। বেংকত অহা যুৱক দুজনে প্ৰবন্ধক ৰাজেশ সিনহাৰ লগত কথা পতাৰ পিছতো মেনেজাৰ জনে কিয় যুৱকদ্বয়ৰ তথ্য আৰক্ষীক দিব পৰা নাই বুলি প্ৰশ্ন উত্থাপন হৈছে। কালি নিশা ১১ বজাত নিজৰ ভুল স্বীকাৰ কৰি প্ৰবন্ধকজনে আৰক্ষীক ধন ঘূৰাই দিয়াৰ লিখিত প্ৰতিশ্ৰুতি দিয়ে। বেংকত চেক জমা দিবলৈ যুৱকদ্বয়ক আৰক্ষীয়ে এতিয়াও চিনাক্ত কৰিব পৰা নাই। আনকি আৰক্ষীয়ে এতিয়াও পশ্চিম বংগৰ লিংক পোহৰলৈ আনিব পৰা নাই। অৱশ্যে শীঘ্ৰেই ধন লুট কৰা ঘটনাৰ মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হ'ব বুলি ভাৰপ্ৰাপ্ত বিষয়া ৰাজীৱ শইকীয়াই জানিবলৈ দিয়ে।

ই মাতৃ সকলৰ সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে।

# দিছপুৰ মহাবিদ্যালয়ত সম্বৰ্ধনা অনুষ্ঠান

**'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ৭ মে'** ঃ ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে ৰাজ্যৰ কেইজনমান মুক্তি যুঁজাৰু, বৰ্ষীয়ান গান্ধীবাদী, সমাজসেৱকলৈ শনিবাৰে দিশপুৰ মহাবিদ্যালয়ৰ পৰিয়ালে সম্বৰ্ধনা জনায়। অনুষ্ঠানত অসম তথা ভাৰতৰ মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি ৰঙিয়া নিবাসী কৃষ্ণকান্ত লহকৰ, গুৱাহাটী শিলপুখুৰী নিবাসী যতীন গোস্বামী, বঢ়মপুৰৰ শ্বহীদ লক্ষী হাজৰিকাৰ জ্যেষ্ঠ পুত্ৰ যতীন হাজৰিকা, নলবাৰী দেহাৰকুছি গাঁৱৰ স্বৰ্গীয় লোহিত চন্দ্ৰ লহকৰৰ পত্নী তৰুলতা লহকৰ, কামৰূপৰ বাৰেতোলা গাঁৱৰ স্বৰ্গীয় কৃষ্ণকান্ত শৰ্মাৰ পুত্ৰ মোহিনী শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ মুকলি সভাত সভাপতিৰ আসন অলংকৃত কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই সকলোকে স্বাগতম জনায়। মুখ্য অতিথিৰূপে ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ননী গোপাল মহন্ত আৰু সন্মানীয় অতিথিৰূপে প্ৰবীণ সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী উপস্থিত থাকে। অসম চৰকাৰৰ ৰাজ্যিক তথ্য আয়ুক্ত তথা জ্যেষ্ঠ সাংবাদিক সমুদ্ৰ গুপ্ত কাশ্যপে 'ভাৰতৰ স্বাধীনতা সংগ্ৰাম ঃ উত্তৰ-পূব ভাৰতৰ কেইটামান অকথিত কাহিনী' শীৰ্ষক মূল বিষয়বস্তু সন্দৰ্ভত বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত ড° সঞ্জীৱ কুমাৰ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত ২খন গ্ৰন্থ ক্ৰমে 'স্বাধীনাত আন্দোলনৰ সজল সোঁৱৰণ' শীৰ্ষক স্মৃতিগ্ৰন্থ আৰু ইংৰাজী সাহিত্য আৰু সংস্কৃতি অধ্যয়নৰ গৱেষণামূলক আলোচনী 'মোজেইক'ৰ লগতে দেৱাশিষ ওজাৰ সম্পাদনাত প্ৰকাশিত মহাবিদ্যালয়ৰ আলোচনী 'দিশপুৰিয়ান', ড° জ্যোতিষ গোস্বামী আৰু ড° অজয় মিত্ৰৰ সম্পাদনাত প্ৰকাশিত গৱেষণাধৰ্মী 'কভিড-১৯' শীৰ্ষক মুঠ চাৰিখনকৈ গ্ৰন্থ উন্মোচিত হয়। সভাত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে স্বাধীনতা আন্দোলনৰ স্মৃতি সুঁৱৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানৰ আঁত ধৰে দৰ্শন বিভাগৰ সহযোগী অধ্যাপিকা ড° প্ৰণীতা শৰ্মাই। সভাত মুক্তি যুঁজাৰু সন্মিলনৰ সম্পাদক দ্বীজেন্দ্ৰ মোহন শৰ্মাকে ধৰি ১২ জন সাংবাদিককো সম্বৰ্ধনা জনোৱা হয়।

# দিছপুৰ মহাবিদ্যালয়ত আজাদী কা অমৃত মহোৎসৱ

## পাঁচগৰাকী মুক্তিযোদ্ধালৈ বিশেষ সম্বৰ্ধনা

গুৱাহাটী, ৭ মে' ঃ ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে আজি দিছপুৰ মহাবিদ্যালয়ে দেশবাসীক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰা ৰাজ্যখনৰ কেইগৰাকীমান বিশিষ্ট মুক্তি যুঁজাৰু, বৰ্ষীয়ান গান্ধীবাদী, সমাজসেৱকলৈ তেওঁলোকৰ অসামান্য অৱদানৰ স্বীকৃতি স্বৰূপে সম্বৰ্ধনা জ্ঞাপন কৰে। এই উদ্দেশ্যেৰে আয়োজিত অনুষ্ঠানতঅসম তথা ভাৰতৰ মুক্তি যুঁজাৰু সন্মিলনৰ সভাপতি ৰঙিয়া নিবাসী কৃষ্ণকান্ত লহকৰ, গুৱাহাটী শিলপুখুৰীৰ নিবাসী যতীন গোস্বামী, বৰহমপুৰৰ প্ৰায়ত লক্ষী হাজৰিকাৰ জ্যেষ্ঠ পুত্ৰ যতীন হাজৰিকা, নলবাৰী দেহাৰকুচি গাঁৱৰ প্ৰয়াত লোহিত চন্দ্ৰ লহকৰৰ পত্নী তৰুলতা লহকৰ, কামৰূপ জিলাৰ বাৰেতোলা গাঁৱৰ প্ৰায়ত কৃষ্ণকান্ত শৰ্মাৰ পুত্ৰ মোহিনী শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত সভাপতিত্ব কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই ভাষণ প্ৰসংগত কয় কয় এনেধৰণৰ অনুষ্ঠানে যুৱ সমাজৰ মনত মাতৃভূমিৰ প্ৰতি ভালপোৱা আৰু দেশৰ গৌৰৱময় অধ্যায়ৰ প্ৰতি সচেতনতা সৃষ্টিত অৱদান আগবঢ়ায়। মুখ্য অতিথিৰ আসন গ্ৰহণ কৰি অসম চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ননী গোপাল মহন্তই স্বাধীনতাৰ যুঁজৰ বীৰসকলৰ অৱদান সুঁৱৰি ব্ৰিটিচ শাসন কালৰ সেই কলা দিনবোৰৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। সভাত উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক সমুদ্ৰ গুপ্ত কাশ্যপে ভাষণ প্ৰসংগত ভাৰতৰ স্বাধীনতা সংগ্ৰাম ঃ উত্তৰ-পূব ভাৰতৰ কেইটামান অকথিত কাহিনী শীৰ্ষক বক্তৃতা প্ৰদান কৰি দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ হ'লহি যদিও দেশৰ ঔপনিবেশ বিৰোধী সংগ্ৰাম আৰু স্বাধীনতা আন্দোলনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা তথা অৱদানৰ বিষয়ে এতিয়াও বিশদভাৱে গৱেষণা আৰু চৰ্চা কৰা দেখা নাযায় বুলি আক্ষেপ প্ৰকাশ কৰে। সম্বৰ্ধনা অনুষ্ঠানত স্মৃতি সজীৱ কৰি ৰাখিবলৈ ড° সঞ্জীৱ কুমাৰ শৰ্মাৰ সম্পাদনাত প্ৰকাশ পোৱা স্বাধীনতা আন্দোলনৰ সজল সোঁৱৰণ শীৰ্ষক স্মৃতিগ্ৰন্থ আৰু তেওঁৰ সম্পাদনাত প্ৰকাশ পোৱা আন এখন ইংৰাজী সাহিত্য আৰু সংস্কৃতি অধ্যয়নৰ গৱেষণামূলক আলোচনী 'মোজেইক'ৰ লগতে দেৱাশিস ওজাৰ সম্পাদনাত প্ৰকাশ পোৱা মহাবিদ্যালয়ৰ আলোচনী 'দিশপুৰিয়ান' ড° জ্যোতিষ গোস্বামী ড° অজয় মিত্ৰৰ সম্পাদনাত প্ৰকাশ পোৱা গৱেষণাধৰ্মী ক'ভিড-১৯ শীৰ্ষক চাৰিখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়।

The Assam Tribune
8/5/22



# Rich tributes paid to martyrs of freedom movement

**STAFF REPORTER**

GUWAHATI, May 7: Rich tributes were paid to known and unknown martyrs of India's freedom movement at a largely-attended meeting held at Dispur College which was presided over by its principal Dr Navajyoti Bora, today.

Prof Sanjiv Kumar Sarma, in-charge of the Press and Publicity Cell of the college, explained the purpose of the meeting while Dr Pranita Sarma, convenor, welcomed the guests.

Eminent freedom fighters and their family members were present at the programme.

Freedom fighters including State president of Freedom Fighters' Association of Assam and India Krishnakanta Lahkar of Rangiya, late Lakhi Hazarika's elder son Jatin Hazarika of Barhampur, late Lohit Chandra Lahkar's wife Tarulata Lahkar of Nalbari, late Krishnakanta Sarma's son Mohini Sarma of Kamrup and Jatin Goswami of Silpukhuri were felicitated.

Principal of Dispur College Dr Navajyoti Bora said that this kind of programme will create the much-needed awareness among our youth and will instill a feeling of love for the motherland.

Dr Nani Gopal Mahanta, Adviser, Education to the Chief Minister, while speaking as chief guest referred to the shining contributions of those great patriots who fought relentlessly for the country's freedom and also laid down their lives in the process.

Mahanta also spoke about the untold suffering undergone by a large number of freedom fighters for the cause of the motherland and defending the rights of the people. He further referred to Assam's role in the independence movement of India.

Speaking as special guest, senior journalist DN Chakravartty said that at the call of the motherland, thousands of youths and elderly people of Assam like their counterparts in the rest of the country got energised to challenge the British rulers and defy heroically all their nefarious and repressive designs to throttle the voice of the masses and suppress their urge for freedom.

"Gandhiji like a true leader gave voice to the teeming multitudes of mute citizens and roused them all for great action. The atmosphere during the years of the Freedom Movement from 1930 to 1942 became so much energising that martyrs like Kushal Konwar, Kanaklata, Mukunda Kakati, Kamala Miri, Bhogeswari Phukanoni and Lerela Kachari and scores of great patriots came out from every nook and corner to join our battle for freedom," he added.

Chakravartty said that it was not only the highly educated and well-to-do people like Maniram Dewan and Gomdhar Konwar but many unknown farmers and common men also came out to lay down their lives at the altar of the freedom movement.

Chakravartty appealed to the people to remember gratefully the supreme sacrifice made by the martyrs to liberate the motherland which has now become the largest democracy of the world and a country that is destined to be the leading light for the entire democratic world.

Krishnakanta Lahkar, nonagenarian freedom fighter, in his speech, recalled the sufferings undergone by the villagers of Assam and urged the people to remain ever vigilant and to defend the honour and freedom of Mother India.

State information Commissioner Samudra Gupta Kashyap delivered a keynote speech on 'A few untold stories from North East India and he discussed detailed stories on 'Phuloguri Dhewa (1861)', 'Dhakiajuli Firing (1942)', 'Sadiyar Ranuwa Gohain (1839)', 'Veer Tikendrajit of Manipur (1891)', 'Patogaon Sangma of Meghalaya (1872)' and 'Khanmar Fight of Nagaland of Meghalaya'.

To commemorate the event, a sourvenir edited by Dr Sanjib Kumar Sarma, one of conveners of the celebration committee, was released in the meeting. Three other books including the college magazine edited by Debashis Ojah, *Mosaic*, a journal of English literature and cultural studies and a book titled *Covid-19* edited by Dr Jyotish Goswami and Dr Ajoy Mitra were released respectively.

## Ex-DGP Choudhury no more

**STAFF REPORTER**

GUWAHATI, May 7: Former Assam Police DG Madam Ram Choudhury passed away today at his Chatribari residence here. He was 93.

Hailing from Kamrup, Choudhury was a 1956-batch IPS officer. He had served in various capacities in the Assam Police, including DG Home Guards, Director BIEO, Director General Vigilance, before retiring as DGP in 1988.

## Felicitation prog

STAFF REPORTER

# গুৱাহাটীৰ স্কিলফিনিটিৰে সৈতে দিছপুৰ মহাবিদ্যালয়ৰ বুজাবুজিৰ চুক্তি



উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ছাত্ৰ-ছাত্ৰীৰ পেছাদাৰী দক্ষতাক অধিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যৰে দিছপুৰ মহাবিদ্যালয়ে গুৱাহাটীভিত্তিক প্ৰশিক্ষণ সংস্থা স্কিলফিনিটিৰে সৈতে এখন বুজাবুজিৰ চুক্তি সম্পন্ন কৰিছে। এই সন্দৰ্ভত এখন বিজ্ঞপ্তিত প্ৰকাশ কৰামতে দুয়োখন প্ৰতিষ্ঠানৰ মাজত ২০ মে'ত এই চুক্তি স্বাক্ষৰিত হয়। দিছপুৰ মহাবিদ্যালয়ৰ পক্ষত এই বুজাবুজিৰ চুক্তিত অধ্যক্ষ ড° নৱজ্যোতি বৰাই স্বাক্ষৰ কৰাৰ বিপৰীতে স্কিলফিনিটিৰ হৈ স্বাক্ষৰ কৰে প্ৰতিষ্ঠাপক অঞ্জন চৌধুৰীয়ে। বিজ্ঞপ্তিত প্ৰকাশ কৰামতে এই চুক্তিখনৰ আঁৰত মুখ্য ভূমিকা পালন কৰে আই কিউ এচিৰ সমন্বয়ক অজয় মিত্ৰই। এই সন্দৰ্ভত মত প্ৰকাশ কৰি স্কিলফিনিটিৰ প্ৰতিষ্ঠাপক অঞ্জন চৌধুৰীয়ে চুক্তিৰ অধীনত ঘাইকৈ ছাত্ৰ-ছাত্ৰীৰ পেছাদাৰী দক্ষতাৰ বিকাশত অধিক গুৰুত্ব দিয়া হ'ব বুলি প্ৰকাশ কৰে। আনহাতে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই শিক্ষা প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব পৰাকৈ সম্ভৱপৰ সকলো প্ৰচেষ্টা অব্যাহত ৰখা হ'ব বুলি জনায়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ উপাধ্যক্ষা তথা অধ্যাপিকা সুনীতা আগৰৱালাই এই মূল্যৱান চুক্তিখন সম্পাদিত হোৱা বাবে আন্তৰিক আনন্দ প্ৰকাশ কৰে।

# দিছপুৰ মহাবিদ্যালয়ত পৰিৱেশ সজাগতা সভা



'আমাৰ অসম'ৰ মহানগৰ বাতৰি, ২৫ মে' ঃ দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰজ্যোতি বৰাৰ পৌৰোহিত্যত আগন্তুক বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি আজি এখনি পৰিৱেশ সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাত গুৱাহাটী পৌৰনিগমৰ নৱনিৰ্বাচিত পৌৰপতি মৃগেন শৰণীয়া, উপ পৌৰপতি স্মিতা ৰায় তথা বিভিন্ন পৌৰ এলেকাৰ পাৰিষদ সকলক মহাবিদ্যালয়ৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। লগতে সভাত বৃহত্তৰ গণেশগুৰি অঞ্চলৰ ব্যৱসায়ী অংশীদাৰী সকলোকো সম্বৰ্ধনা জনোৱা হয়। সভাত পৌৰপতি মৃগেন শৰণীয়াই মহাবিদ্যালয়লৰ প্লাষ্টিক বৰ্জন কাৰ্যসূচী সম্পৰ্কত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে মহাবিদ্যালয়ৰ এই মহান প্ৰচেষ্টাৰ শলাগ লয়। সভাত উপস্থিত উপপৌৰপতি স্মিতা ৰায় আৰু নিমন্ত্ৰিত অতিথিসকলেও মহাবিদ্যালয়ৰ বিশ্ব পৰিৱেশ দিৱসৰ প্ৰস্তুতি সম্পৰ্কত সহায় সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উক্ত অনুষ্ঠানত গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা উপস্থিত থাকে। আজিৰ সভাতে ৫ জুনত মহাবিদ্যালয়ৰ পৰা ছাত্ৰ -ছাত্ৰী শিক্ষক শিক্ষয়িত্ৰী সকলে বৃহত্তৰ গণেশগুৰি অঞ্চলত পৰিৱেশ দিৱসৰ কাৰ্যসূচী ৰাতিপুৱা ৯ বজাৰ পৰা আৰম্ভ কৰিব। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° শচী মোহন দাসে আঁত ধৰা অনুষ্ঠানটিৰ শেষত অধ্যাপক অজিত প্ৰসাদ শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়।